স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-13 ☐ NO-325 ☐ FRIDAY 2 FEBRUARY 2024 (ডিব্ৰুগড় সংস্কৰণ/



### আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱ

# ডিএইচএছ কানৈ কলেজলৈ শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ ফেব্ৰুৱাৰী ঃ ডিএইচএছ কানৈ মহাবিদ্যালয়ক ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত শ্ৰেষ্ঠ পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰা হয়। মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকলে স্বচ্ছতা, পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ সজাগতা সৃষ্টি কৰিবলৈ প্ৰতিদিনে পুৱা যুৱ মহোৎসৱত চাফাই কাৰ্যসূচী গ্ৰহণ কৰিছিল। প্ৰতিবাৰে যুৱ মহোৎসৱত কানৈ মহাবিদ্যালয়ে নিয়মীয়াকৈ এনে কাৰ্যসূচী গ্ৰহণ কৰি বিশ্ববিদ্যালয়খনৰ অধীনৰ মহাবিদ্যালয়সমূহৰ ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সৃষ্টি কৰি আহিছে। কানৈ মহাবিদ্যালয়ৰ স্বচ্ছতাক আন্দোলনমুখী কৰাৰ বাবে বিভিন্ন সংগঠনে পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান প্ৰদান কৰিছে। এইবাৰ যুৱ মহোৎসৱত ব্যাপক প্ৰতিযোগিতাৰ মাজত কানৈ মহাবিদ্যালয়ে পোনপ্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত আলোচনীত প্ৰকাশিত সম্পাদকীয়ত প্ৰথম আৰু আলোচনী বিভাগত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে ১৬টা বিভাগত বঁটা আঁজুৰি আনিবলৈ সক্ষম হোৱা মহাবিদ্যালয়খনে কাৰ্টুন প্ৰতিযোগিতাত প্ৰথম, আল্পনা প্ৰতিযোগিতাত প্ৰথম, কলাজ প্ৰতিযোগিতাত প্ৰথম, তবলা বাদন প্ৰতিযোগিতাত প্ৰথম, ইংৰাজী কবিতা আবৃত্তি প্ৰতিযোগিতাত দ্বিতীয়, ৰাভা সংগীত প্ৰতিযোগিতাত দ্বিতীয়, জয়ন্ত সংগীত প্ৰতিযোগিতাত দ্বিতীয়, পশ্চিমীয়া সংগীত প্ৰতিযোগিতাত দ্বিতীয়, চলচিত্ৰ সমালোচনা প্ৰতিযোগিতাত দ্বিতীয়, ভজন প্ৰতিযোগিতাত তৃতীয়, পোষ্টাৰ মেকিং প্ৰতিযোগিতাত তৃতীয়, কুইজ প্ৰতিযোগিতাত তৃতীয় শ্ৰেষ্ঠ দল, খেয়াল প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বঁটা লাভ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে।

---

না

সভা

মহন্ত, প্ৰবক্তা
স্কুলৰ শিক্ষক-
আতিকা ইংলিছ
ফুকন আদি
কে। অনুষ্ঠানত
কাৰ দেৱজিৎ

---

পিছত মাহমবা
মহাবিদ্যালয়ৰ সদ্যপ্ৰয়া
প্ৰবীণ শইকীয়াৰ সে
শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনু
অনুষ্ঠানত প্ৰয়াত শ
সহধৰ্মিণী হিৰণ্য দুৱৰা
সদৌ টাই আহোম ছ
চৰাইদেউ জিলা সমিতি
ক্ষীৰোদ বৰগোহাঁই,
মানিক ৰঞ্জন বৰগোহাঁ
দিহিঙীয়া, বিদ্যা বৰবৰু
ছাত্ৰ নেতা মানিক গগৈ,
পঞ্চায়তৰ সদস্যা পু
জ্যেষ্ঠ নাগৰিক হেম
উপস্থিত থাকে। ডাম-
পিছত কণ কণ ছাত্ৰ-ছা
বিভিন্ন প্ৰতিযোগি
সৃষ্টিশীল নৃত্য প্ৰদৰ্শ
অনুষ্ঠিত হয়। বিয়লি
মুকলি আৰু বঁটা বিত
শিক্ষক নুৰুজ চাবুকধ
নেতা ত্ৰিদিপ কোঁৱা
সভাপতি ক্ষীৰোদ ব
উপস্থিত থাকি বঁটা প্ৰদ